5/11/2018 আমাৰ অসম (6)



## দুৰ্নীতি মুক্ত সমাজ গঢ়িবলৈ হ'লে প্ৰতিখন শিক্ষানুষ্ঠানে গঢ় দিব লাগিব ভাল মানুহ ঃ মুখ্যমন্ত্ৰী

# ছয়দুৱাৰ মহাবিদ্যালয়ৰ সোণালী জয়ন্তী সমাৰোহৰ সফল সামৰণি

ছয়দুৱাৰ মহাবিদ্যালয়ৰ পৰা পল্লৱ বৰা, ৪ নৱেম্বৰ ঃ 'সমাজত আদৰ্শৱান ব্যক্তি গঢ় দিয়াৰ ক্ষেত্ৰত ছয়দুৱাৰ মহাবিদ্যালয়ৰ দৰে শিক্ষানুষ্ঠান সমূহে যুগে যুগে উল্লেখযোগ্য ভূমিকা পালন কৰি আহিছে। আমাক ভাল মানুহ লাগে। ভাল মানুহ সৃষ্টিৰ বাবে শিক্ষানুষ্ঠানৰ প্ৰয়োজনীয়তা সদায়েই থাকিব। এই ছয়দুৱাৰ মহাবিদ্যালয়খনেও জন্মলগ্নৰে পৰা বহু মহান ব্যক্তিৰ সৃষ্টি কৰিছে। মহৎ চিন্তাৰে জীৱনৰ বাটত দৃঢ়তাৰে অগ্ৰসৰ হৈ সফলতাৰ দুৱাৰ দলিত উপনীত হ'ব পাৰি। কষ্ট আৰু ত্যাগক যদি জীৱনৰ কৰ্মপথাৰত প্ৰকৃতাৰ্থত মূল্যাংকন কৰা নহয়, তেন্তে সমাজত আদৰ্শ প্ৰতিষ্ঠা কৰাটো সম্ভৱ নহয়। যিসকল মহান মনিষীয়ে পৃথিৱীত আদৰ্শ প্ৰতিষ্ঠা কৰিছে, সেয়া সম্ভৱ হৈছে কেৱল সাধনা, ত্যাগ আৰু কষ্টৰ বাবে। সেয়ে সকলোৱে কষ্ট স্বীকাৰ কৰিবই লাগিব।' উত্তৰ অসমৰ ভিতৰতে এখন উচ্চ শিক্ষাৰ শৈক্ষিক প্ৰতিষ্ঠান হিচাপে পৰিচিত গহপুৰৰ ছয়দুৱাৰ মহাবিদ্যালয়ৰ চাৰিদিনীয়া বৰ্ণাঢ্য কাৰ্যক্ৰমণিকাৰে অনুষ্ঠিত কৰা সোণালী জয়ন্তী সমাৰোহৰ সামৰণি অনুষ্ঠানৰ মুকলি সভাত মুখ্য অতিথি হিচাপে অংশ গ্ৰহণ কৰি মুখ্য মন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে মন্তব্য কয়। ছয়দুৱাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অঞ্জন কুমাৰ ওজাই আঁতধৰা আৰু উদ্দেশ্য ব্যাখ্যা কৰা আৰু সোণালী জয়ন্তী উদযাপন সমিতিৰ সভাপতি তথা মহাবিদ্যালয়খনৰ প্ৰাক্তন অধ্যক্ষ গজেন বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত মুখ্য মন্ত্ৰী সোণোৱালে তেওঁৰ নীতিদীৰ্ঘ ভাষণত পুনৰ কয় যে কৰ্মসংস্কৃতি অবিহনে কোনো সংস্কৃতিয়েই শ্ৰীবৃদ্ধি লাভ কৰিব নোৱাৰে। শিক্ষানুষ্ঠান এখনক সাধনাৰ থলী হিচাপে কৰ্মসংস্কৃতিৰ এটা মূল প্ৰাণকেন্দ্ৰ হিচাপে ইয়াক গঢ় দিব লাগিব। যাতে শিক্ষানুষ্ঠানখনত প্ৰৱেশ কৰাৰ লগে লগে ছাত্ৰ-ছাত্ৰী সকলে জীৱনত শৃংখলাবদ্ধতা, নিয়মানুবৰ্তিতা আৰু চৰিত্ৰ নিৰ্মাণৰ কামত আত্মনিয়োগ কৰিব পাৰে। ছাত্ৰ-ছাত্ৰীৰ ব্যক্তিত্বত যেতিয়া এই গুণৰ প্ৰতিফলন ঘটিব, তেতিয়া জীৱনৰ কোনো পৰীক্ষাতে তেওঁ বিফল হ'ব নোৱাৰে। শিক্ষা হৈছে শক্তি। শিক্ষাৰ জৰিয়তে আমি জ্ঞান আহৰণ কৰিব লাগিব। সমাজত ভাল মানুহ গঢ়ি তুলিব লাগিব। দুৰ্নীতিমুক্ত এখন সমাজ গঢ়িবলৈ হ'লে প্ৰতিখন শিক্ষানুষ্ঠানে ভাল মানুহ গঢ়িব লাগিব। পিতৃ-মাতৃ, শিক্ষক-শিক্ষয়িত্ৰীৰ যৌথ প্ৰচেষ্টাত আমি ভাল মানুহ সৃষ্টি কৰিব পাৰো। তেতিয়াহে সমাজত সুশাসন প্ৰতিষ্ঠা হ'ব। গহপুৰৰ বিধায়ক উৎপল বৰাই উদ্বোধন কৰা মুকলি সভাত মুখ্য মন্ত্ৰী গৰাকীয়ে ফেচবুক, টুইটাৰ, হোৱাটএপ আদি ছ'ছিয়েল মিডিয়াৰ অপব্যৱহাৰে আজিৰ সমাজ ব্যৱস্থা অস্থিৰ আৰু বিনষ্ট কৰি তুলিছে বুলি কয়। বিজ্ঞান আৰু প্ৰযুক্তিৰ দ্বাৰা পৰিচালিত আজিৰ সমাজখনক শিক্ষানুষ্ঠান সমূহেহে শিক্ষাৰ প্ৰকৃত মূল্যাংকন কৰা হ'ব বুলি ভাষণত উল্লেখ কৰে। মহাবিদ্যালয়খনৰ ছাত্ৰী সকলৰ দ্বাৰা পৰিৱেশিত সমবেত সংগীতেৰে দিনৰ ১ বজাৰ পৰা শুভাৰম্ভ কৰা মুকলি সভাখনত ৰাজ্যিক শিক্ষা মন্ত্ৰী পল্লৱ লোচন দাসে বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি প্ৰদান কৰা ভাষণত কয় যে জ্ঞানেই একমাত্ৰ মাধ্যম যিয়ে প্ৰতিজন ব্যক্তিক ভৱিষ্যতে 'মানুহ' হোৱাৰ জীৱন শৈলী শিকায়। জ্ঞান অবিহনে প্ৰতিজন ব্যক্তি প্ৰতিখন সমাজ দুৰ্বল শ্ৰেণীলৈ ৰূপান্তৰ হয় বুলিও তেওঁ উল্লেখ কৰে। মন্ত্ৰী গৰাকীৰ মতে শৃংখলাবদ্ধ জীৱন-যাপনৰ বাবে জ্ঞানেই হৈছে প্ৰধান মাধ্যম। তিনি সহস্ৰাধিক শিক্ষানুৰাগী ৰাইজৰ উপস্থিতিত অনুষ্ঠিত গাম্ভীৰ্যপূৰ্ণ সভাখনত ভাৰত চৰকাৰৰ প্ৰধান কৰ আয়ুক্ত তথা গহপুৰৰ সুযোগ্য সন্তান হেমন্ত বিজয় মহন্তই সন্মানীয় অতিথি হিচাপে অংশগ্ৰহণ কৰি কয় যে সমাজত জ্যেষ্ঠজনৰ জীৱনৰ অভিজ্ঞতাৰ পৰা নৱ প্ৰজন্মই শিক্ষা লোৱা উচিত। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° ৰঞ্জিত তামুলীয়ে সভাখনত সন্মানীয় অতিথি হিচাপে অংশগ্ৰহণ কৰি সাম্প্ৰতিক শিক্ষা ব্যৱস্থা সম্পৰ্কে তত্ত্বগধুৰ ভাষণ আগবঢ়ায়। মহাবিদ্যালয়ৰ ছাত্ৰীসকলে পৰিৱেশন কৰা বৰগীত, স্বস্তিকা ঘোষৰ গীত পৰিৱেশনে মুখৰ কৰি তোলা মুকলি সভাত মহাবিদ্যালয়খনলৈ ২০১৮-১৯ বিত্তীয় বৰ্ষৰ



অনুদানেৰে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ এটি ব্ৰঞ্জৰ আবক্ষ মূৰ্তি আগবঢ়োৱা গহপুৰ নগৰ সমিতিৰ চেয়াৰমেন লীনা শইকীয়া বৰাৰ লগতে ভাইচ চেয়াৰমেন দোলন বৰা, ৱাৰ্ড কমিচনাৰ অতুল বৰা, দেৱবালা হাজৰিকা, পদ্মেশ্বৰ বৰুৱা আৰু জুৰি হাজৰিকাক মহাবিদ্যালয়খনৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। মহাবিদ্যালয়খনৰ পঞ্চাশ বছৰীয়া শৈক্ষিক যাত্ৰাৰ প্ৰতিটো স্মৃতি জীপাল কৰি তুলিবলৈ বছৰজোৰা কাৰ্যক্ৰমণিকাৰে অনুষ্ঠিত কৰা সোণালী জয়ন্তী সমাৰোহৰ প্ৰতিটো কাৰ্যসূচী সফল কৰি তোলাৰ বাবে মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী, অধ্যাপক-অধ্যাপিকা, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, পৰিচালনা সমিতিৰ আৰু শিক্ষানুৰাগী ৰাইজৰ লগতে উদযাপন সমিতি আৰু প্ৰতিখন উপ-সমিতিলৈ আন্তৰিক কৃতজ্ঞতা জনাইছে মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° অঞ্জন কুমাৰ ওজাই। সভাখনত ঢেকীয়াজুলিৰ বিধায়ক অশোক সিংঘালো উপস্থিত থাকে

Scanned with Oken Scanner